# DAINIK ASOM

Friday, 18th November 2016

# হয়গ্ৰীৱ মাধৱৰ ভঙা খুঁটাৰ মেৰামতি

নিজা বাতৰি দিওঁতা

**হাজো, ১৭ নৱেম্বৰ ঃ** হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰৰ জগমোহনৰ ভাঙি থকা খুঁটা তিনিটা কেন্দ্ৰীয় পুৰাতত্ত্ব বিভাগে মেৰামতি কৰি নিশ্চিত বিপদৰপৰা মন্দিৰটোৰ ৰক্ষা কৰিলে। তেওঁলোকে ভঙা অংশত শিলৰ মন্দিৰ মেৰামতি কৰা বিশেষজ্ঞ কাৰিকৰ আনি উৰিষ্যাৰ পদ্ধতিৰে চিমেণ্ট-শিল আৰু ৰ'ড প্ৰয়োগ কৰি তিনিটা ৰিং বান্ধ দিয়ে। পুৰাতত্ত্ব বিভাগৰ কাৰ্যালয়ৰপৰা জনোৱা মতে, খুঁটা তিনিটা সুৰক্ষিত হৈছে আৰু ভৱিষ্যৎ বিপদৰ কোনো আশংকা নাই। কিন্তু মাধৱ মন্দিৰ পৰিচালনা সমিতিৰপৰা জনা মতে, খুঁটা তিনিটাৰ মেৰামতিক লৈ তেওঁলোকৰ সন্দেহ দূৰ হোৱা নাই। হয়গ্ৰীৱ মাধৱ মন্দিৰৰ মূল মঠৰ দেৱ-দেৱতাৰ মূৰ্তিসমূহ ভাঙি-ছিঙি নিশ্চিহ্ন হোৱাৰ পথত। এই পুৰাকীৰ্তিসমূহৰ মেৰামতিৰ কাম আজি পৰ্যন্ত পুৰাতত্ত্ব বিভাগে কৰা নাই। মাধৱ দেৱালয় পৰিচালনা সমিতি তথা ভক্তপ্ৰাণ হাজো অঞ্চলৰ ৰাইজে এই মূৰ্তিসমূহ মেৰামতি কৰাৰ বাবে বিভাগক অনুৰোধ কৰিছে।